# PM interacts with SAARC leaders to combat COVID-19 in the region

March 15, 2020

# ছাৰ্ক অঞ্চলত ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ ইয়াৰ নেতৃবৰ্গৰ ১৯–সৈতে মত বিনিময় প্ৰধানমন্ত্ৰীৰ

মাৰ্চ 15, 2020

প্ৰধানমন্ত্ৰীয়ে ছাৰ্ক ৰাষ্ট্ৰসমূহৰ কাৰণে কোভিড– 19 আপাতকালীন নিধি স্থাপন কৰাৰ প্ৰস্তাৱ আগবঢ়াই।

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ছাৰ্কৰ সদস্য ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গৰে অঞ্চলটোত ক'ভিড–19ৰ বিৰুদ্ধে যুঁজিবলৈ এক উমৈহতীয়া কৌশল প্ৰস্তুত কৰাৰ বাবে ভিডিঅ' কনফাৰেন্সযোগে মত বিনিময় কৰে।

**অভিন্ন ইতিহাস–সন্মিলিত ভৱিষ্যত**

অতি কম সময়ৰ ভিতৰত এই আলোচনাত যোগদান কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে নেতাসকলক ধন্যবাদ জনায়। ছাৰ্ক দেশসমূহৰ লোকসকলৰ মাজত প্ৰাচীন কালৰে পৰা যোগাযোগ, সামাজিক ক্ষেত্ৰত নিবিড় সম্পৰ্ক থকাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে একেলগে সকলো দেশে প্ৰত্যাহ্বানৰ মোকাবিলা কৰাটোৱে তাৎপৰ্য বহন কৰিছে।

**আগবাঢ়ি যোৱাৰ উপায়ঃ**

সামূহিক প্ৰচেষ্টাৰ এই পৰিৱেশত প্ৰধানমন্ত্ৰীয়ে ক'ভিড–19ক লৈ জৰুৰীকালীন পুঁজি গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। স্ব–ইচ্ছাৰে সকলো দেশ একত্ৰিত হৈ এই পুঁজিত অনুদান আগবঢ়াব। প্ৰাথমিক অৱস্থাত ভাৰতে এই পুঁজিৰ বাবে 1 কোটি মাৰ্কিন ডলাৰ দিয়াৰ কথা অৱগত কৰে প্ৰধানমন্ত্ৰীয়ে। জৰুৰীকালীন প্ৰয়োজনত অংশীদাৰ দেশসমূহে এই পুঁজিৰ পৰা ধন ব্যয় কৰিব পাৰিব। তেওঁ কয় যে ভাৰতে চিকিৎসক আৰু বিশেষজ্ঞসকলক লৈ এক দ্ৰুত সঁহাৰি দল গঠন কৰিছে। প্ৰয়োজন অনুসৰি এই দলে পৰীক্ষাৰ সা–সৰঞ্জামকে ধৰি অন্যান্য যন্ত্ৰপাতি লৈ যিকোনো দেশলৈ যাব পাৰিব।

প্ৰধানমন্ত্ৰীয়ে চুবুৰীয়া দেশসমূহৰ আপাতকালীন সঁহাৰি দলৰ সদস্যসকলক অনলাইনযোগে প্ৰশিক্ষণৰ আমন্ত্ৰণ জনায়। যিসকলে এই ভাইৰাছ বহন কৰিছে আৰু তেওঁলোকে যাৰ সৈতে যোগাযোগ কৰিছে, তেওঁলোকৰ সন্ধান কৰা বাবে ভাৰতৰ সুসংহত ৰোগ– নিৰীক্ষণ পোৰ্টেলৰ ছফটৱেৰৰ ব্যৱহাৰৰো

প্ৰস্তাৱ আগবঢ়ায় প্ৰধানমন্ত্ৰীয়ে। তেওঁ কয় যে এই পৰিস্থিতি ভালদৰে মোকাবিলা কৰাৰ বাবে ছাৰ্ক দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰটো উপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

প্ৰধানমন্ত্ৰীয়ে দক্ষিণ এছিয়াত মহামাৰী ৰোগ নিয়ন্ত্ৰণৰ বাবে এক সাধাৰণত সমন্বয় সাধনৰ বাবে এখন গবেষণা মঞ্চ গঢ়ি তোলাৰো প্ৰস্তাৱ আগবঢ়ায়। ক'ভিড-19ৰ বাবে দীৰ্ঘম্যাদী আৰ্থিক প্ৰভাৱক লৈ আলোচনা কৰিবলৈ বিশেষজ্ঞক লৈ এক চিন্তন বৈঠক অনুষ্ঠিত কৰাৰো পৰামৰ্শ আগবঢ়ায় প্ৰধানমন্ত্ৰীয়ে। এই বৈঠকত বৰ্তমানৰ পৰিস্থিতি মোকাবিলা কৰিবলৈ আভ্যন্তৰীণ বাণিজ্য আৰু স্থানীয় ব্যৱসায় ৰক্ষা কৰাকে ধৰিব কেতবোৰ বিষয়ক লৈ আলোচনা কৰা হ'ব।

আটাইকেইগৰাকী নেতাই এই প্ৰচেষ্টা গ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনায়। প্ৰধানমন্ত্ৰীয়ে পুনৰ পৰিস্থিতি মোকাবিলা কৰিবলৈ একেলগে কাম কৰাৰ আহ্বান জনাই কয় যে সমগ্ৰ বিশ্বৰ বাবে ছাৰ্কৰ সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰতিবেশীসুলভ সহযোগিতা এক আৰ্হি হৈ ৰওক।

## অভিজ্ঞতাৰ বিনিময়

প্ৰধানমন্ত্ৰীয়ে কয়, "সাজু থাকক, কিন্তু আতংকিত নহ'ব" এই চিন্তাধাৰাৰে ভাৰতে কাম কৰিছে। তেওঁ কয় যে ইয়াৰ বাবে সমূহীয়া পদক্ষেপ হাতত লোৱা হৈছে, পৰ্যায়ভিত্তিক সঁহাৰি, যিসকলে দেশত প্ৰৱেশ কৰিছে তেওঁলোকৰ পৰীক্ষা কৰা হৈছে; টিভি, ছপা মাধ্যম, ছ'চিয়েল মিডিয়াত সজাগতামূলক প্ৰচাৰ চলোৱা হৈছে, যিসকল অসুৰক্ষিত, তেওঁৰোৰৰ কাষলৈ যোৱাৰ বাবে বিশেষ উদ্যোগ লোৱা হৈছে, ৰোগ নিৰ্ণয়ৰ আন্তঃগাঁথনি বৃদ্ধি কৰা হৈছে, মহামাৰীক ৰোধৰ বাবে প্ৰতিটো স্তৰত নীতিনিয়ম- প্ৰস্তুত কৰা হৈছে।

তেওঁ কয় যে ভাৰতে বিভিন্ন দেশৰ পৰা সুকলমে 1,400 গৰাকী ভাৰতীয় লোকৰ লগতে 'চুবুৰীয়া প্ৰথম নীতি'ক গুৰুত্ব দি চুবুৰীয়া দেশৰ কিছুসংখ্যক নাগৰিককো ঘূৰাই আনিছে।

ৰাষ্ট্ৰপতি আশ্ৰফ ঘানিয়ে কয় যে আফগানিস্তানৰ আটাইতকৈ বিপদসংকুল স্থান হ'ল ইৰানৰ সৈতে থকা মুক্ত সীমান্ত। তেওঁ কয় যে ইয়াৰ বাবে অহাযোৱাৰ পদ্ধতি সলনি-, টেলিমেডিচিনৰ অভিন্ন আন্তঃগাঁথনি গঢ়ি তোলা আৰু চুবুৰীয়া দেশৰ মাজত আৰু অধিক সহযোগিতা স্থাপন কৰিব লাগিব।

য়ুহানৰ পৰা ৯গৰাকী মালদ্বীপৰ নাগৰিকক ঘুৰাই অনা আৰু ক'ভিড-19ৰ বিৰুদ্ধে মোকাবিলা কৰাত চিকিৎসা সম্পৰ্কীয় সহায়ৰ বাবে ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ ছলীহে ভাৰত চৰকাৰক ধন্যবাদ জনায়। তেখেতে দেশৰ পৰ্যটন উদ্যোগ আৰু অৰ্থনীতিত ক'ভিড-19ৰ নেতিবাচক প্ৰভাৱৰ দিশতোৰ কথাও দাঙি ধৰে। স্বাস্থ্য খণ্ডত জৰুৰী অৱস্থাত দেশসমূহৰ মাজত নিবিড় সহযোগিতা, আৰ্থিক সহায্যৰ পেকেজ গঢ় দিয়া আৰু পৰিস্থিতি মোকাবিলাৰ বাবে অঞ্চলটো এক দীৰ্ঘম্যাদী পৰিকল্পনাৰো তেওঁ প্ৰস্তাৱ আগবঢ়ায়।

এই কঠিন সময়ত অৰ্থনৈতিক পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ শ্ৰীলঙ্কাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপাক্সেই ছাৰ্ক নেতৃবৃন্দক একেলগে কাম কৰাৰ আহ্বান জনায়। ক'ভিড-19ৰে মোকাবিলা কৰিবলৈ

ছাৰ্ক মন্ত্ৰী গোট গঠন কৰি ইতিবাচক দিশবোৰ ভাগবতৰা কৰাৰ লগতে আঞ্চলিক পৰ্যায়ৰ বিভিন্ন - বিষয়ত সহযোগিতাৰো পৰামৰ্শ আগবঢ়ায় ৰাজাপাক্সেই।

কোৱাৰেন্টিনত থকাৰ সময়ত ভাৰতীয় ছাত্ৰ ছাত্ৰীসকলৰ সৈতে-23 গৰাকী বাংলাদেশী ছাত্ৰ ছাত্ৰীক য়ুহানৰ পৰা-উভতাই অনাৰ বাবে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদ জ্ঞাপন কৰে। অঞ্চলটোৰ স্বাস্থ্যমন্ত্ৰী আৰু সচিবসকলৰ মাজত কাৰিকৰী পৰ্যায়ত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আলোচনা কৰি যোৱাৰো প্ৰস্তাৱ আগবঢ়ায় বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে।

ক'ভিড-19 ৰে মোকাবিলা কৰাত নেপালে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লীয়ে ছাৰ্ক নেতৃবৃন্দক অৱগত কৰে। তেওঁ কয় যে এই মহামাৰীৰে মোকাবিলা কৰাৰ কাৰ্যকৰী কৌশল গ্ৰহণত সকলো ছাৰ্ক ৰাষ্ট্ৰৰ সংঘবদ্ধ জ্ঞান আৰু প্ৰচেষ্টাই সহায় কৰিব।

ভুটানৰ প্ৰধানমন্ত্ৰী ড০ লোটে শ্বেৰিঙে কয় যে মহামাৰীয়ে কোনো ভৌগোলিক স্থান মানি নচলে। সেয়েহে সকলো দেশে একেলগে কাম কৰাটো অতি জৰুৰী। ক'ভিড-19ৰ আৰ্থিক প্ৰভাৱৰ বিষয়ত তেওঁ কয় যে মহামাৰীয়ে ক্ষুদ্ৰ অৰ্থনীতিৰ দেশত প্ৰচণ্ড আঘাত হানে।

ড০ জাফৰ মিৰ্জাই সঠিক সময়ত স্বাস্থ্য সম্পৰ্কীয় তথ্য, তথ্যৰ বিনিময় আৰু সহযোগিতাৰ লক্ষ্যৰে ছাৰ্ক সচিবালয়ৰ এক কৰ্মীগোট গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। প্ৰয়োজনত ৰোগ সম্পৰ্কীয় নিৰীক্ষণৰ তথ্য বিনিময় কৰাৰ বাবে ছাৰ্ক সদস্য ৰাষ্ট্ৰসমূহৰ স্বাস্থ্যমন্ত্ৰীসকলে আলোচনাৰ ব্যৱস্থা কৰা আৰু এই বিষয়ত এক আঞ্চলিক সহযোগিতা স্থাপনৰো প্ৰস্তাৱ আগবঢ়ায়।

**নতুন দিল্লী**
**মাৰ্চ 15, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**